# নামনি অসম শিক্ষা মেলাৰ সামৰণি

## ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ কেৰিয়াৰ সন্দৰ্ভত পৰামৰ্শ

গোৱালপাৰা ঃ নিজা বাতৰি দিওঁতা, ১৯ মাৰ্চ ঃ গোৱালপাৰা মহাবিদ্যালয় প্ৰাংগণত কলেজ পণ্ডিত ডটকমৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা নামনি অসম শিক্ষা মেলাৰ আজি সামৰণি পৰে। কালি জিলাৰ উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে উদ্বোধন কৰা এই শিক্ষা মেলাত দেশৰ ১৮খন বিশ্ব বিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মন, চি আৰ পি এফ কমাণ্ডেণ্ট দেৱ শংকৰ মিশ্ৰ, বি টি কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হজৰত আলীকে ধৰি কেইবাগৰাকী অধ্যাপক উপস্থিত থাকে। এই শিক্ষা মেলাই নামনি অসমৰ শিক্ষাৰ্থীসকলক ভৱিষ্যৎ গঢ়াৰ মান নিৰূপণ কৰিব বুলি উদ্বোধক জিলা উপায়ুক্ত খনীন্দ্ৰ ১৩ পিঠিলৈ

## নামনি অসম শিক্ষা মেলাৰ...

চৌধুৰীয়ে আশা প্ৰকাশ কৰে। অধ্যক্ষ ড° বৰ্মনে এনে শিক্ষা মেলাই ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ লগতে ভৱিষ্যতৰ বাবে সপোন কঢ়িয়ায় বুলি কয়। শিক্ষা মেলাত দেশৰ আগশাৰীৰ শিক্ষানুষ্ঠান ক্ৰমে পাৰুল বিশ্ববিদ্যালয়, গুজৰাটৰ কোৰে বিশ্ববিদ্যালয়, জি এন আই, আই টি এম বিশ্ববিদ্যালয়, কলকাতাৰ এন এছ এইচ এম, এন ই এফ কলেজ, আহমেদাবাদৰ ট্ৰানষ্টাডিয়া বিশ্ববিদ্যালয়, গুৱাহাটীৰ প্ৰতীক্ষা নাৰ্ছিং, পুনেৰ ভাৰতীয় বিশ্ববিদ্যালয়, পঞ্জাবৰ ছিটকাৰা বিশ্ববিদ্যালয়, এল পি ইউ, আৰ আৰ গ্ৰুপ, বাংলাদেশৰ এম বি বি এছ, পাইলান গ্ৰুপ অৱ্ ইন্সটিটিউশ্যনে অংশগ্ৰহণ কৰে। কালিৰে পৰা আজিলৈ প্ৰতিখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ প্ৰতিনিধিসকলে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ কেৰিয়াৰ পৰামৰ্শক লৈ আলোচনা কৰিছে। শিক্ষা মেলাত গোৱালপাৰা মহাবিদ্যালয়কে ধৰি বঙাইগাঁও, বৰপেটা, ধুবুৰী, কামৰূপ আৰু বি টি আৰৰ শিক্ষানুষ্ঠানৰ শিক্ষাবিদ, অভিভাৱক, ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ কাৰিকৰী শিক্ষা, নামভৰ্তিকৰণ সন্দৰ্ভত আলোচনা কৰে। আজি সন্ধিয়া শিক্ষা মেলাৰ সামৰণি পৰে।